জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫/২০২১

গোলাঘাটত আয়োজিত শিল্পী দিৱস আৰু শিল্পী বঁটা প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# বিশিষ্ট লোকশিল্পী ইন্দ্ৰেশ্বৰ পেগু আৰু বিশিষ্ট কণ্ঠশিল্পী নমিতা ভট্টাচাৰ্যক মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে ২০২১ বৰ্ষৰ শিল্পী বঁটা

- **শিল্পী হৈছে ঈশ্বৰৰ বাণী কঢ়িওৱা দূত ঃ মুখ্যমন্ত্ৰী**
- **দুস্কৃতি আঁতৰাই সংস্কৃতি প্ৰতিষ্ঠাই আছিল ৰূপকোঁৱৰৰ জীৱনৰ মূল আদৰ্শ ঃ মুখ্যমন্ত্ৰী**
- **শিল্পীসকল হ'ল সুন্দৰ আৰু সেউজীয়াৰ উপাসক ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১৭ জানুৱাৰী ঃ** 'শিল্পী হৈছে ঈশ্বৰৰ বাণী কঢ়িওৱা দূত। শিল্পীৰ অবিহনে এখন সমাজ মানসিকভাৱে স্বাস্থ্যবান হ'ব নোৱাৰে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমীয়া ৰাইজৰ প্ৰাণৰ শিল্পী। দুস্কৃতি আতঁৰাই সংস্কৃতি প্ৰতিষ্ঠাই আছিল এই মহান শিল্পীগৰাকীৰ জীৱনৰ মূল আদৰ্শ।' আজি গোলাঘাট চহৰৰ সমন্বয় ক্ষেত্ৰত আয়োজিত ২০২১ বৰ্ষৰ শিল্পী দিৱস আৰু শিল্পী বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বিশিষ্ট কণ্ঠশিল্পী নমিতা ভট্টাচাৰ্য আৰু লোকশিল্পী ইন্দ্ৰেশ্বৰ পেগুক অসম চৰকাৰে আগবঢ়োৱা ২০২১ বৰ্ষৰ শিল্পী বঁটাও প্ৰদান কৰে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, শৰাই আৰু ২ লাখ টকাৰ চেক।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ সৃষ্টিৰ মাজেৰে মানৱতাৰ জয়গান গাইছিল। দুস্কৃতি নাশি এখন সৰ্বাংগসুন্দৰ সমাজ নিৰ্মাণেই আছিল ৰূপকোঁৱৰৰ প্ৰধান স্বপ্ন। আজি একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী এই আধুনিক পৃথিৱীত অসমীয়া জাতি হিচাপে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ হ'লে আমি ৰূপকোঁৱৰৰ আদৰ্শৰে অগ্ৰসৰ হ'বই লাগিব। এই মহান শিল্পীগৰাকীয়ে বিচৰা সংস্কাৰমুখী সমাজখনৰ আদৰ্শৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনেও প্ৰশাসন ব্যৱস্থাৰ সংস্কাৰৰ মাধ্যমেৰে এখন নতুন অসম গঢ়াৰ বাবে যত্নপৰ হৈছে। সমন্বয়ৰ যোগেদি সমাজ শক্তিশালী কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শিল্পীসকলে দেখুৱাই যোৱা এই মহান আদৰ্শৰে বাট বুলি ৰাজ্য চৰকাৰেও ক্ষমতালৈ অহাৰ দিন ধৰি অসমৰ বুকুত এখন সমন্বিত আৰু ঐক্যবদ্ধ সমাজ প্ৰতিষ্ঠাৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছে।

অসমীয়া বোলছবি জগতত মহিলা শিল্পীৰ অভিনয়ৰ বাটকটীয়া গোলাঘাটৰ জীয়ৰী আইদেউ সন্দিকৈৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি গোলাঘাট জিলাই অসমৰ জাতীয় জীৱনলৈ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিত্ব উপহাৰ দিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰসংগতে তেওঁ শিৱ প্ৰসাদ ঠাকুৰ, মুনীন বৰুৱা, মঞ্জুলা বৰুৱা, তপোব্ৰত বৰুৱা আদি ব্যক্তিয়ে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ কথা বিশেষভাৱে উল্লেখ কৰে। গোলাঘাট জিলাই অসমৰ কৃষি ক্ষেত্ৰত বিশেষ স্থান দখল কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই গোলাঘাটৰ বুকুৰ পৰাই অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে সেউজ বিপ্লৱ আৰম্ভ কৰিছিল। সেইদৰে গোলাঘাটৰ আগৰ খেতিয়কসকলে এই খেতিৰ জৰিয়তে অসমৰ নাম বিশ্বৰ বুকুত উজলাই তুলিবলৈ সক্ষম হৈছে। গ্ৰাম্য অৰ্থনীতিৰ উত্থানত গোলাঘাট জিলাই দীৰ্ঘদিন ধৰি বিশেষ স্থান অধিকাৰ কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে এখন আত্মনিৰ্ভৰশীল ভাৰত আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ দিশত সক্ৰিয় অংশগ্ৰহণৰ বাবে গোলাঘাটৰ কৃষক ৰাইজে এই দিশত অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে আত্মনিয়োগ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা খেতিয়ক ৰাইজৰ সুখ-দুখৰ প্ৰতি বিশেষ সংবেদনশীল আছিল। তেওঁৰ সৃষ্টিৰাজিত এই কথা সুন্দৰকৈ প্ৰতিফলিত হৈছে। সেই আদৰ্শৰে অসম চৰকাৰেও এখন সমৃদ্ধিশালী অসম নিৰ্মাণত কৃষি ক্ষেত্ৰৰ ভূমিকাৰ কথা উপলব্ধি কৰি ৰাজ্যৰ কৃষকসকলক অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিছে। কৃষিমন্ত্ৰী অতুল বৰাৰ নেতৃত্বত অসমৰ কৃষি ক্ষেত্ৰই এতিয়া বিশেষ ৰূপত জিলিকি উঠিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ নতুন প্ৰজন্মই কৃষি খণ্ডত আত্মনিয়োগ কৰাৰ বাবে দেখুওৱা আগ্ৰহে ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি বহন কৰিছে।

শিল্পীসকল সুন্দৰ আৰু সেউজীয়াৰ উপাসক বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালাকে ধৰি প্ৰতিগৰাকী বৰেণ্য শিল্পীৰ ৰচনাতে প্ৰকৃতি বন্দনাই বিশেষ স্থান অধিকাৰ কৰিছে। ৰাজ্য চৰকাৰেও সেয়েহে ৰাজ্যখনৰ সেউজ বাতাবৰণ বৰ্তাই ৰাখি এখন সেউজ অসম গঢ়াৰ বাবে পৰিৱেশ সংৰক্ষণৰ ওপৰত যথেষ্ট অগ্ৰাধিকাৰ প্ৰদান কৰিছে। প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমবাসীয়েও আজি পৰিৱেশ সংৰক্ষণৰ তাৎপৰ্য আৰু গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হৈছে। বিগত সময়ছোৱাত অসমৰ বনাঞ্চলৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। ৮ কোটিৰো অধিক গছপুলি ৰোপণ আৰু ফল-ফুল-ঔষধি গছেৰে ভৰপূৰ বহু কেইখন সাহিত্য মনীষী উপবন স্থাপনৰ জৰিয়তে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত নিজৰ দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ এক সেউজীয়া ভৱিষ্যতৰ স্বাৰ্থত প্ৰকৃতি সংৰক্ষণৰ দিশত আন্তৰিকতাৰে আত্মনিয়োগ কৰিবলৈ তেওঁ অসমবাসীৰ প্ৰতি আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত ২০২১ বৰ্ষৰ শিল্পী বঁটা প্ৰাপক ইন্দ্ৰেশ্বৰ পেগু আৰু নমিতা ভট্টাচাৰ্যইও বক্তব্য আগবঢ়াই নিজৰ অনুভৱ দাঙি ধৰে। নিজৰ বক্তব্যৰ মাজতে সুকণ্ঠি গায়িকা নমিতা ভট্টাচাৰ্যই ৰূপকোঁৱৰৰ 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতৰ কলি গুণগুনাই সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

শিল্পী দিৱসৰ এই কেন্দ্ৰীয় অনুষ্ঠানত গোলাঘাটকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ বহুকেইটা সাংস্কৃতিক দলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। মাজুলীৰ শিল্পী তুলিকা শইকীয়া আৰু বৰাক উপত্যকাৰ পৰা অহা শিল্পী বেদপ্ৰজ্ঞা ভট্টাচাৰ্যই পৰিৱেশন কৰা জ্যোতি সংগীতে সকলোকে মুগ্ধ কৰে।

অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ তপন কুমাৰ গগৈ, বিধায়কদ্বয় মৃণাল শইকীয়া আৰু ভৱেন ভৰালীয়েও ভাষণ প্ৰদান কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক যাদৱ শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন মন্ত্ৰী অজন্তা নেওগ, অসম চাহ নিগমৰ অধ্যক্ষ অমিয় বৰা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰীমা বৰুৱা সেন, গোলাঘাট জিলাৰ উপায়ুক্ত বিভাস মোদীকে ধৰি গোলাঘাট জিলা প্ৰশাসন আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**১৭/০১/২০২১**